গড়গাঁও মহাবিদ্যালয়

GARGAON COLLEGE

NAAC accredited with 'B' Grade

# One Day Career Counseling Programme on Assamese as a Career and its Future Prospects

**Date: 3.5.2023**

Organized by
Department of Assamese






গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade

**Rationality of the Programme:**
The career counseling program was organized by the Department of Assamese to explore the importance of the subject and its prospects among the students

**Brief report of the program**

A Career Counseling Programme was organized by the Department of Assamese on 3rd May 2023. Dr. Ankur Dutta, Assistant Professor of Assamese delivered a lecture on the career prospects of the subject Assamese among the students. In his deliberation, Dr. Dutta said that after successful completion of a Bachelor / Master's Degree in Assamese, the students can pursue a career in Assamese in different fields – teaching, journalism, translation, DTP in the field of publishing and distribution of books, theatre, recitation, various fields of arts and crafts entrepreneurship, cultural tourism, Internet-related fields like Google-Microsoft, radio etc. Dr. Dutta also gave ideas on qualifying examinations in other vocational fields- Indian Military and Civil Services Examinations, Assam Public Service Commission Examinations, and private or public sector jobs The event was organized by the Internal Quality Assessment Cell and Career Counseling Cell of the college. The event was attended by Nilakhi Chetia, Head of the Assamese Department, Pranab Dowarah, Runjun Hazarika, Priyama Dihingia and Devajani Bakalial.

গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade

## Flyer of the Programme




## Photographs of the Programme



গড়গাঁও মহাবিদ্যালয়

GARGAON COLLEGE

NAAC accredited with 'B' Grade




## News Report

# গড়গাঁও মহাবিদ্যালয়ত কেৰিয়াৰ বিষয়ক অনুষ্ঠান

বিশেষ সংবাদদাতা

শিৱসাগৰ, ৪ মে' ঃ শিৱসাগৰৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ত অসমীয়া বিভাগৰ উদ্যোগত 'কেৰিয়াৰ হিচাপে অসমীয়া উচ্চমান বিষয় ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা' বিষয়ত এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। অসমীয়া বিভাগৰ পৰা সদ্য বিদায়ী শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি অনুষ্ঠিত কৰা অনুষ্ঠানটোৰ সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অংকুৰ দত্তই। সমল ব্যক্তি ড° দত্তই কয় যে অসমীয়াক বিশেষ বিষয় হিচাপে লৈ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতে আত্মনিৰ্ভৰ হ'ব পৰা ক্ষেত্ৰখন বৰ মসৃণ নহয় যদিও নতুন চিন্তাৰে আগবঢ়াৰ যথেষ্ট থল আৰু নিয়োগৰ সম্ভাৱনা আছে। তেওঁ অসমীয়া উচ্চমানৰ শিক্ষাৰ্থীসকলে সুবিধাজনক স্থানত থকা আৰু অগ্ৰাধিকাৰ পোৱা বিষয়সমূহ উল্লেখ কৰি কয় যে স্নাতক বা স্নাতকোত্তৰ সফলভাৱে উত্তীৰ্ণ হৈ শিক্ষাৰ্থীসকল শিক্ষকতা, সংবাদ জগত, সাহিত্য জগত, ভাষাৰ ক্ষেত্ৰত, অনুবাদৰ ক্ষেত্ৰত, অসমীয়া ডিটিপিৰ ক্ষেত্ৰত, গ্ৰন্থাদি প্ৰকাশন-বিতৰণ-বিপণীৰ ক্ষেত্ৰত, নাট্য ক্ষেত্ৰত, আবৃত্তিৰ ক্ষেত্ৰত, কলা-শিল্পৰ উদ্যমিতাৰ বিভিন্ন ক্ষেত্ৰত, সাংস্কৃতিক পৰ্যটন, গুগল-মাইক্ৰ'ছফ্ট আদি ইণ্টাৰনেটৰ লগত জড়িত ক্ষেত্ৰত, অনাতাঁৰ মাধ্যমত, অনুষ্ঠানৰ 'একংৰিঙ'ৰ ক্ষেত্ৰত, পুৰণি পুথি উদ্ধাৰ আৰু সম্পাদনা আদি বিভিন্ন ক্ষেত্ৰত নিজকে দক্ষ আৰু যোগ্য কৰি নিয়োজনৰ বাট উলিয়াব পাৰে। তাৰ উপৰি সমল ব্যক্তি ড° দত্তই অন্যান্য বৃত্তিমূলক ক্ষেত্ৰ, ভাৰতীয় সামৰিক আৰু অসামৰিক সেৱাৰ পৰীক্ষা, অসম লোকসেৱা আয়োগৰ পৰীক্ষা, ব্যক্তিগত বা ৰাজহুৱা খণ্ডৰ চাকৰিৰ বাবে অসমীয়া উচ্চমানৰ শিক্ষাৰ্থীসকল উপযোগী দোহাৰি এই দিশত সংশ্লিষ্ট ক্ষেত্ৰত যোগ্যতা নিৰ্ণায়ক পৰীক্ষাসমূহৰ বিষয়েও ধাৰণা দিয়ে। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু কেৰিয়াৰ পৰামৰ্শদান কোষে বিশেষ সহযোগিতাৰে আগবঢ়োৱা অনুষ্ঠানত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক নীলাক্ষি চেতিয়া প্ৰমুখে প্ৰণৱ দুৱৰা, কণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া আৰু দেৱযানী বকলীয়াল, অধ্যাপকসকল আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে। অসমীয়া বিভাগৰ শিক্ষাৰ্থীৰ প্ৰতি লক্ষ্য ৰাখি আয়োজন কৰা দায়বদ্ধতাসম্পন্ন অনুষ্ঠানৰ মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ কবি, প্ৰবন্ধকাৰ ড° সব্যসাচী মহন্তই ভূয়সী প্ৰশংসা কৰে।


## গড়গাঁও মহাবিদ্যালয়ত কেৰিয়াৰ বিষয়ক অনুষ্ঠান


# কেৰিয়াৰ হিচাপে অসমীয়া উচ্চমান বিষয়ত বক্তৃতা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৪ মে' ঃ** শিৱসাগৰৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ত অসমীয়া বিভাগৰ উদ্যোগত 'কেৰিয়াৰ হিচাপে অসমীয়া উচ্চমান বিষয় ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা' বিষয়ত এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। অসমীয়া বিভাগৰ পৰা সদ্যবিদায় ল'ব লগা শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি অনুষ্ঠিত কৰা অনুষ্ঠানটোৰ সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অংকুৰ দত্তই। সমল ব্যক্তি ড° দত্তই কয় যে অসমীয়াক বিশেষ বিষয় হিচাপে লৈ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতে আত্মনিৰ্ভৰ হ'ব পৰা ক্ষেত্ৰখন বৰ মসৃণ নহয় যদিও নতুন চিন্তাৰে আগবঢ়াৰ যথেষ্ট থল আৰু নিয়োগৰ সম্ভাৱনা আছে। তেওঁ অসমীয়া উচ্চমানৰ শিক্ষাৰ্থীসকলে সুবিধাজনক স্থানত থকা আৰু অগ্ৰাধিকাৰ পোৱা বিষয়সমূহ উল্লেখ কৰি কয় যে স্নাতক বা স্নাতকোত্তৰ সফলভাৱে উত্তীৰ্ণ হৈ শিক্ষাৰ্থীসকল শিক্ষকতা, সংবাদ জগত, সাহিত্য জগত, ভাষাৰ ক্ষেত্ৰত, অনুবাদৰ ক্ষেত্ৰত, অসমীয়া ডিটিপিৰ ক্ষেত্ৰত, গ্ৰন্থাদি প্ৰকাশন-বিতৰণ-বিপণীৰ ক্ষেত্ৰত, নাট্য ক্ষেত্ৰত, আবৃত্তিৰ ক্ষেত্ৰত, কলা-শিল্পৰ উদ্যমিতাৰ বিভিন্ন ক্ষেত্ৰত, সাংস্কৃতিক পৰ্যটন, গুগল-মাইক্ৰ'ছফ্ট আদি ইণ্টাৰনেটৰ লগত জড়িত ক্ষেত্ৰত, অনাতাঁৰ মাধ্যমত, অনুষ্ঠানৰ 'একংৰিঙ'ৰ ক্ষেত্ৰত, পুৰণি পুথি উদ্ধাৰ আৰু সম্পাদনা আদি বিভিন্ন ক্ষেত্ৰত নিজকে দক্ষ আৰু যোগ্য কৰি নিয়োজনৰ বাট উলিয়াব পাৰে। তাৰ উপৰি সমল ব্যক্তি ড° দত্তই অন্যান্য বৃত্তিমূলক ক্ষেত্ৰ, ভাৰতীয় সামৰিক আৰু অসামৰিক সেৱাৰ পৰীক্ষা, অসম লোক সেৱা আয়োগৰ পৰীক্ষা, ব্যক্তিগত বা ৰাজহুৱা খণ্ডৰ চাকৰিৰ বাবে অসমীয়া উচ্চমানৰ শিক্ষাৰ্থীসকল উপযোগী দোহাৰি এই দিশত সংশ্লিষ্ট ক্ষেত্ৰত যোগ্যতা নিৰ্ণায়ক পৰীক্ষাসমূহৰ বিষয়েও ধাৰণা দিয়ে। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু কেৰিয়াৰ পৰামৰ্শদান কোষে বিশেষ সহযোগিতাৰ আগবঢ়োৱা অনুষ্ঠানত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক নীলাক্ষী চেতিয়াকে প্ৰমুখ্য কৰি প্ৰণৱ দুৱৰা, কণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া আৰু দেৱযানী বকলীয়াল অধ্যাপকসকল আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে। অসমীয়া বিভাগৰ শিক্ষাৰ্থীৰ প্ৰতি লক্ষ্য ৰাখি আয়োজন কৰা দায়বদ্ধতাসম্পন্ন অনুষ্ঠানৰ মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ কবি, প্ৰবন্ধকাৰ ড° সব্যসাচী মহন্তই ভূয়সী প্ৰশংসা কৰে।

গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAACaccredited with 'B' Grade

## Attendance List





বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
গড়গাঁও মহাবিদ্যালয়